## অধিকাৰৰ তিনিটা প্ৰজন্ম (Three Generation of Rights):

মানৱ অধিকাৰ ধাৰণাটো গতিশীল। সময়ানুসাৰি ইয়াৰ পৰিসৰ বিস্তৃত হৈ আহিছে আৰু নতুন নতুন দিশ সংযুক্ত হৈছে। 1917 চনৰ ছোভিয়েট বিপ্লৱৰ পিছত সামাজিক আৰু অৰ্থনৈতিক অধিকাৰৰ সংযোজন হয়। যিটো মানুহৰ উত্তৰণৰ বাবে অত্যাৱশ্যকীয়। প্ৰথম অৱস্থাত মানৱ অধিকাৰৰ লগত কেৱল অসামৰিক আৰু ৰাজনৈতিক অধিকাৰতে সীমাবদ্ধ আছিল যদিও বৰ্তমান ইয়াৰ পৰিসৰে বিস্তৃতি লাভ কৰিছে।

মানৱ অধিকাৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি অধিকাৰক তিনিটা প্ৰজন্ম বা শ্ৰেণীত বিভক্ত কৰা হৈছে। মানৱ অধিকাৰৰ তিনিটা প্ৰজন্মৰ ওপৰৰ এই প্ৰস্তাৱটো চেক গণৰাজ্যৰ আইনজ্ঞ কেৰেল ভাছাক (Karel Vasak) ৰে 1979 চনত ষ্ট্ৰাছবাৰ্গ (Strasburg) ৰ International institute of HR ত উত্থাপন কৰিছিল। উল্লেখ্য যে 1977 চনৰ পূৰ্বেই তেওঁ এই ব্যাখ্যাংশৰ ব্যৱহাৰ কৰিছিল বুলি কোৱা হয়। ফৰাচী বিপ্লৱৰ মূল নীতি, স্বাধীনতা, সমতা, আৰু ভাতৃত্বৰ ওপৰত ভিত্তি কৰিয়েই মানৱ অধিকাৰৰ তিনিটা প্ৰজন্মৰ শ্ৰেণীবিভাজন কৰিছিল। মানৱ জীৱনত পৰিৱৰ্তনৰ গতি অব্যাহত থাকে। এটা প্ৰজন্মৰ সৃষ্টিয়েই অ এটা প্ৰজন্মৰ বিলোপ সাধন কৰে। কিন্তু মানৱ অধিকাৰৰ ক্ষেত্ৰত পূৰ্ব প্ৰজন্মৰ অধিকাৰ-সমূহ বিলোপ বা শেষ হৈ নাযায়। আনকি কেইটা প্ৰজন্ম একে সময়তে বৰ্তি থাকে। বিভিন্ন প্ৰকাৰৰ প্ৰজন্মৰ বিষয়ে আলোচনা কৰা হৈছে —

### ক) প্ৰথম প্ৰজন্মৰ অধিকাৰ (First Generation of Rights):

এই অধিকাৰসমূহ 17 শ আৰু 18 শ শতিকাত বিকাশ লাভ কৰিছিল। এই অধিকাৰসমূহ বিশেষকৈ স্বাধীনতাৰ লগত জড়িত। নাগৰিক আৰু ৰাজনৈতিক অধিকাৰসমূহ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। প্ৰথম প্ৰজন্মৰ অধিকাৰসমূহ হৈছে - জীৱনৰ নিৰাপত্তাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ; ৰাজনৈতিক অধিকাৰ, দাসত্বৰ মুক্তি স্বাধীনতা, বিবেকৰ স্বাধীনতা, নিৰ্যাতন আৰু উৎপীড়নৰ পৰা মুক্ত থকাৰ অধিকাৰ, মত প্ৰকাশৰ স্বাধীনতা, ধৰ্মীয় অধিকাৰ আদিয়েই প্ৰধান। প্ৰথম প্ৰজন্মৰ অধিকাৰসমূহ সাৰ্বজনীন মানৱ অধিকাৰ

ঘোষণাপত্ৰ (1948) 2 নং অনুচ্ছেদৰ পৰা 21 নং অনুচ্ছেদলৈ অন্তৰ্ভুক্ত কৰা হৈছে।

ৰাজনৈতিক অধিকাৰসমূহৰ ভিতৰত - ভোটদানৰ অধিকাৰ, ৰাজহুৱা কামত অংশগ্ৰহণ কৰাৰ অধিকাৰ, সংঘ গঠনৰ অধিকাৰ, শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ আদিয়েই উল্লেখযোগ্য।

বহুসময়ত প্ৰথম প্ৰজন্মৰ অধিকাৰক নেতিবাচক (Negative) অধিকাৰ হিচাপে গণ্য কৰা হয়। অৰ্থাৎ চৰকাৰে নাগৰিকৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰিব নোৱাৰে বা অধিকাৰ উলংঘন হ'ব পৰা কামৰ পৰা বিৰত থাকিব লাগে। এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এই অধিকাৰসমূহৰ মূল বিষয় হৈছে - স্বাধীনতা। গতিকে ই জনগণক চৰকাৰৰ স্বেচ্ছাচাৰী কাৰ্যৰ পৰা ৰক্ষা কৰাৰ চেষ্টা কৰে।

খ) দ্বিতীয় প্ৰজন্মৰ অধিকাৰ (Second Generation of Rights):

দ্বিতীয় প্ৰজন্মৰ অধিকাৰসমূহ সমতাৰ ওপৰত প্ৰতিষ্ঠিত। এই অধিকাৰবোৰ বিশেষকৈ নাগৰিকৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক দিশৰ সৈতে জড়িত। এই অধিকাৰসমূহ মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণাপত্ৰ (1948) 22নং অনুচ্ছেদৰ পৰা 27নং অনুচ্ছেদলৈ আৰু অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ (1966) ত সন্নিবিষ্ট। এইসমূহৰ ভিতৰত কৰ্মৰ অধিকাৰ, উপযুক্ত মজুৰি লাভৰ অধিকাৰ, জীৱনৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, বিশ্ৰাম আৰু অৱসৰৰ অধিকাৰ, বৈষম্য মুক্তি স্বাধীনতা, জীৱিকা নিৰ্বাচনৰ অধিকাৰ, সমাজৰ সাংস্কৃতিক জীৱনত অংশগ্ৰহণ কৰাৰ অধিকাৰ, ভাষা-সাংস্কৃতিক অধিকাৰ আদিয়েই প্ৰধান।

দ্বিতীয় প্ৰজন্মৰ এই অধিকাৰবোৰ ইতিবাচক (Positive) প্ৰকৃতিৰ বুলি কোৱা হয়। কাৰণ এই অধিকাৰবোৰ ভোগৰ ক্ষেত্ৰত চৰকাৰৰ হস্তক্ষেপ কামনা কৰা হয় আৰু ৰাষ্ট্ৰই অধিকাৰবোৰ ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

আগতে উল্লেখ কৰি আহিছোঁ যে, মানৱ অধিকাৰবোৰ পৰস্পৰ নিৰ্ভৰশীল আৰু পৰস্পৰ সম্পৰ্কযুক্ত। প্ৰথম প্ৰজন্ম আৰু দ্বিতীয় প্ৰজন্মৰ মানৱ অধিকাৰৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক বিৰাজমান। কাৰণ আমি জানো

যে অৰ্থনৈতিক অধিকাৰৰ অবিহনে ৰাজনৈতিক অধিকাৰ অৰ্থহীন বা মূল্যহীন (Valueless)
'Since human rights and fundamental freedoms are indivisible, the full realisation of civil and political rights without the enjoyment of economic, social and cultural rights is impossible.'

গ) তৃতীয় প্ৰজন্মৰ অধিকাৰ (Third Generation of Rights):

তৃতীয় প্ৰজন্মৰ অধিকাৰসমূহ ভ্ৰাতৃত্ববোধৰ লগত জড়িত অধিকাৰ। তৃতীয় প্ৰজন্মৰ মানৱ অধিকাৰৰ প্ৰকৃতি প্ৰথম প্ৰজন্ম আৰু দ্বিতীয় প্ৰজন্ম প্ৰকৃতিৰ সৈতে কিছু প্ৰভেদ পৰিলক্ষিত হয়। অৰ্থাৎ এই বিধ অধিকাৰত মানৱীয় দিশ অন্তৰ্ভুক্ত হোৱাৰ উপৰি পাৰিপাৰ্শ্বিকতা, সংস্কৃতি, বিকাশ, বিশ্বশান্তি, স্বাস্থ্যসন্মত আত্মনিৰ্ধাৰণ, আদি অধিকাৰবিলাক জড়িত। কিন্তু এই অধিকাৰ বিলাক সম্পূৰ্ণৰূপে ব্যক্তিকেন্দ্ৰিক নহয়। সমাজৰ অংশ হিচাপেহে ব্যক্তিয়ে উপভোগ কৰে।

তৃতীয় প্ৰজন্মৰ অধিকাৰৰ ভিতৰত অন্য গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল আত্মনিৰ্ধাৰণৰ অধিকাৰ। এই অধিকাৰৰ জৰিয়তে ব্যক্তিয়ে নিজৰ ব্যক্তিগত অৰ্থাৎ নিৰ্ধাৰণ কৰাৰ লগতে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সাঁথনি নিৰূপণ কৰিব পাৰে। "These rights are necessary for the fulfillment or development of individual and protection of dignity"

তৃতীয় প্ৰজন্মৰ অন্য এটা গুৰুত্বপূৰ্ণ তাৎপৰ্যপূৰ্ণ অধিকাৰ হ'ল শান্তি প্ৰতিষ্ঠাৰ অধিকাৰ। ইতিহাসৰ পাত লুটিয়ালে এইটো প্ৰতীয়মান হয় বহুসময়ত বিশ্বত অশান্তিকৰ পৰিৱেশে বিৰাজ কৰিছে উদাহৰণস্বৰূপে, হিংসা, হত্যা, প্ৰথম বিশ্বযুদ্ধ, সন্ত্ৰাসে মানৱ সমাজক জৰ্জৰিত কৰি আহিছে। শান্তিৰ অবিহনে জনসাধাৰণ বিকাশৰ দিশত অগ্ৰসৰ হ'ব নোৱাৰে। শান্তি আৰু নিৰাপত্তাৰ অবিহনে ব্যক্তিৰ অধিকাৰসমূহ সুনিশ্চিত নহয় আৰু আন্তঃজাতিক শান্তি ও প্ৰতিষ্ঠা কৰিব

পৰা নাযায়। According to United Nations Commission on Human Rights (UNCHR) – everyone has the right to live in condition of international peace and security and fully to enjoy economic, social, cultural and civil rights and political rights unqualified respect for and the promotion of human rights and fundamental freedoms require the existence of international peace and security.

গতিকে শান্তিৰ অধিকাৰ (Rights of peace) সাম্প্ৰতিক সময়ৰ অত্যন্ত আৱশ্যকীয় আৰু গুৰুত্বপূৰ্ণ অধিকাৰ। ইয়াৰ বাহিৰে এই প্ৰজন্মৰ আন কেইটামান উল্লেখযোগ্য অধিকাৰ হৈছে – মানৱীয় সাহায্যৰ অধিকাৰ, যোগাযোগ, সম্প্ৰেষণৰ বিকল্প অধিকাৰ আদি।

মানৱ অধিকাৰ এক গতিশীল ধাৰণা। সময় পৰিবৰ্তনৰ লগে লগে নতুন নতুন অধিকাৰ সন্নিবিষ্ট হৈ আহিছে আৰু সেইবোৰ পূৰ্বৰ উল্লেখিত অধিকাৰবোৰৰ সমানেই

কাৰ্যকৰী কৰাত গুৰুত্ব দিয়া হৈছে। যিহেতু ই এক ধৰণৰ পৰিৱৰ্তনশীল গতিকে এটিক এৰি আনটো ভোগ কৰিব পৰা নাযায়। প্ৰতিটো অধিকাৰ একোজন ব্যক্তি বা সমাজ বা সম্প্ৰদায়ৰ কাৰণে সমানে গুৰুত্বপূৰ্ণ আৰু আৱশ্যকীয়।